# নুমলীগড় শোধনাগাৰ সীমিত

## স্বাস্থ্য, সুৰক্ষা আৰু পৰিবেশ সংৰক্ষণ নীতি

NRL

DNV·GL

**প্ৰতিশ্ৰুতি :**

আমি সমূহ কৰ্মচাৰী, ঠিকা শ্ৰমিক, ঠিকাদাৰ, গ্ৰাহক আৰু নিকটৱৰ্তী জনসাধাৰণে আমাৰ নিজৰ স্বাস্থ্য, সুৰক্ষা তথা আমাৰ কৰ্মস্থলীৰ পৰিবেশ ৰক্ষনাবেক্ষনৰ ক্ষেত্ৰত সচেতন আৰু সঙ্ঘবদ্ধভাৱে অঙ্গীকাৰবদ্ধ । প্ৰচলিত বিধি বিধান সমূহ মানি চলিবলৈ আমি সততে প্ৰতিজ্ঞাবদ্ধ ।

আনকি পৰিবেশ উন্নয়নৰ ক্ষেত্ৰত আমি ততোধিক কৰিবলৈও আগ্ৰহী ।

স্বাস্থ্য, সুৰক্ষা তথা পৰিৱেশ ৰক্ষণাবেক্ষণৰ বিষয়বোৰ আমাৰ ব্যৱসায়িক পৰিকল্পনা তথা পৰিচালনাৰ অভিন্ন অঙ্গ হিচাপে গণ্য কৰোঁ ।

**নীতি :**

আমাৰ প্ৰতিশ্ৰুতিসমূহ নিম্নোক্ত ধৰণে প্ৰদৰ্শন কৰিব বিচাৰো :

- সুৰক্ষা সম্বন্ধীয় সুবিধা আৰু সুৰক্ষিত ব্যৱস্থা প্ৰদান আৰু প্ৰতিপালন কৰা হয় ।
- নিজৰ লগতে আনৰ সুৰক্ষাৰ প্ৰতি থকা দায়বদ্ধতাৰ বাবে সকলো কৰ্মচাৰীকেই উপযুক্ত স্বীকৃতি দিয়া হ'ব ।
- উপযুক্ত কাৰিকৰী কৌশল প্ৰয়োগেৰে পৰিবেশৰ ওপৰত পৰিব পৰা প্ৰভাব নূন্যতম কৰা হ'ব ।

আমাৰ উদ্দেশ্য আৰু লক্ষ্যসমূহ নিম্নোক্ত ধৰণে ঠিৰাং কৰিব বিচাৰো :-

- দুৰ্ঘটনা, ব্যৱসায়িক ৰোগ আৰু পৰিবেশৰ ওপৰত পৰিব পৰা প্ৰভাব ৰোধ কৰিবলৈ নিৰন্তৰ উন্নয়নমূলক ব্যৱস্থা গ্ৰহণ ।
- প্ৰয়োজনীয়তাৰ ভিত্তিত ঠিকাদাৰ, গ্ৰাহক আৰু জনসাধাৰণ প্ৰশিক্ষণৰ জৰিয়তে শিক্ষা, উৎকৃষ্ট কাৰ্য্যৰ অনুসৰণ আৰু অভিজ্ঞতা বিনিময়ক সদায় উদগনি প্ৰদান ।
- স্বাস্থ্য, সুৰক্ষা আৰু পৰিবেশ উন্নয়নৰ ক্ষেত্ৰত সহায়ক প্ৰমুল্য আৰু দৃষ্টিকোন সমূহৰ অন্তভুক্তিকৰণ ।

আমাৰ লক্ষ্য প্ৰাপ্তিৰ বাবে নিম্নোক্ত ধৰণৰ উপায়সমূহ অৱলম্বন কৰিব বিচাৰো :-

- স্বাস্থ্য, সুৰক্ষা আৰু পৰিবেশ সম্বন্ধীয় লক্ষ্য সাধনৰ বাবে দিয়া যোগদানৰ বাবে সকলো স্তৰৰ কৰ্মচাৰীৰ বাবে স্পষ্ট কৰ্তব্য আৰু দায়িত্ব অৰ্পন, পুনৰক্ষীনৰ লগতে স্বীকৃতি প্ৰদান ।
- প্ৰয়োজনীয় উপাদান আৰু পুজি আবণ্টন ।
- স্বাস্থ্য, সুৰক্ষা আৰু পৰিবেশ সংৰক্ষণৰ প্ৰতি যোগদান আৰু উৎসাহ বৰ্দ্ধন ।
- স্বাস্থ্য, সুৰক্ষা আৰু পৰিবেশ সংৰক্ষণ বিষয়ক আলোচনা-বিলোচনাৰ বাবে উপযুক্ত মঞ্চ গঠন ।

লক্ষ্য প্ৰাপ্তিৰ বাবে নিম্নোক্ত ধৰনেৰে পৰ্যবেক্ষনণ কৰা হ'ব :-

- নিৰ্দিষ্ট সময়ৰ অন্তৰালত কাৰ্য্যকুশলতা, কাৰ্য্যপদ্ধতি আৰু কাৰ্য্যাভ্যাসৰ পৰ্যবেক্ষণৰ লগতে তাৎক্ষনিক শুধৰনিৰ ব্যৱস্থা ।
- স্বাস্থ্য, সুৰক্ষা আৰু পৰিবেশ সম্বন্ধীয় শ্ৰেষ্ঠত্ব প্ৰদৰ্শনৰ বাবে প্ৰতিজন কৰ্মচাৰী, ঠিকাভিত্তিক কৰ্মচাৰী, ঠিকাদাৰ, ব্যৱসায়ীক গোট আৰু ব্যৱসায় সহায়ক গোটৰ সৰ্বোপৰি কাৰ্য্যকুশলতাৰ এক অঙ্গ হিচাপে গন্যকৰণ ।

➤ উপৰুক্ত নীতিসমূহ নুমলীগড় শোধনাগাৰৰ অন্তৰ্ভুক্ত সকলো গোটৰ বাবে প্ৰযোজ্য ।

ভাস্কৰ জ্যোতি ফুকন

(ভাস্কৰ জ্যোতি ফুকন)
সঞ্চালক (কাৰিকৰী)

তৃতীয় সংস্কৰণ/তাৰিখ: ২৮.১০.২০১৯